# বীৰেন গগৈৰ কবিতা

**বালি বিৰিণাৰ বেটুপাত**

ইচ্ছামতে পঢ়িব পাৰি
শুভ্ৰ শৰতৰ
বিপুল গদ্য আৰু পদ্য

অথালি-পথালি পাহাৰ
পানী আৰু বালিত
জিলিকি উঠিছে
ৰামধেনুৰ বিনম্ৰ আকাশ

বিয়লি বলুকাত
জলচ্ছেদ বিচাৰি
ডাৱৰৰ দিগন্ত ফালি ফালি
হাঁহ-শৰালিৰ শোভাযাত্ৰা

আকাশৰ এৰাসুঁতিত আহি
থৰ থৰ কঁপিছে
আমন-জিমন জোন

বতাহ-বৰষুণৰ লালন-পালন
কি এই আচৰিত নদী
এটি প্ৰেমৰ কবিতাৰ দৰে
বাৰে বাৰে পঢ়িব পাৰি

**সৰিয়হ হালধীয়া সাগৰ**

নীৰৱে পাৰ হওঁ
প্ৰতিখন হালধীয়া
সাগৰ

আকাশৰ দৰে বহল
সেই সাগৰক বহুতেই নেদেখে
চকু আৰু মুখৰ চেহেৰাত

কোনেও দেখা নেপায়
কাৰো মনৰ বাগিচা
সৰিয়হ হালধীয়া সাগৰ
খুব কম মানুহে দেখে
খুব কম মানুহে পঢ়ে
সেইখন সাগৰৰ পাঠ

মানুহৰ মনটোৱেই মাজে-সময়ে

মানুহটোৰ লগত নেথাকে
কোনেও নেদেখা
কোনেও নপঢ়া
অচিন আকাশত
উৰি ফুৰে।